**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date : 11**-08-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::::::::::::::::::::::::::::**

১। চৰকাৰী ই-মাৰ্কেট প্লেছ- জি ই এমে সঠিক গুণগত মানৰ, সঠিক মূল্য মানৰ আৰু সঠিক সময়ত উপযুক্ত সামগ্ৰী ক্ৰয় কৰাটো প্ৰতিফলিত কৰে।

২। কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে কালি নতুন দিল্লীত কৃষি বিজ্ঞানৰ শিক্ষাৰ্থীৰ বাবে এন এছ পিৰ জৰিয়তে বৃত্তি আৰু ফেল'শ্বিপৰ পুঁজি মুকলি কৰে।

৩। গ্ৰীণ ইণ্ডিয়া মিছন কাৰ্যকৰী হোৱা বুলি চৰকাৰে কালি লোকসভাত প্ৰকাশ কৰে।

৪। কলম্বিয়াৰ দক্ষিণ অংশত কালি হোৱা এটা ৭ দশমিক ৪ প্ৰাবল্যৰ শক্তিশালী ভূমিকম্পত কমেও ১১১ জন লোকৰ মৃত্যু হোৱাৰ লগতে ৮৭ গৰাকী লোক আহত হয়।

*আৰু*

৫। নাইজেৰিয়াৰ লাগছত অনুষ্ঠিত ২৩ বছৰ অনুৰ্ধ কমনৱেলথ ফেন্সিং প্ৰতিযোগিতাত ভাৰতে শক্তিশালী প্ৰদৰ্শন আগবঢ়াইছে।

০০০০

চৰকাৰী ই-মাৰ্কেট প্লেছ- জি ই এমে সঠিক গুণগত মানৰ, সঠিক মূল্য মানৰ আৰু সঠিক সময়ত উপযুক্ত সামগ্ৰী ক্ৰয় কৰাটো প্ৰতিফলিত কৰে। কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীযুষ গোৱেলে কালি নতুন দিল্লীত অনুষ্ঠিত জি ই এমৰ দশম প্ৰতিষ্ঠা দিৱসত অংশগ্ৰহণ কৰি এই কথা প্ৰকাশ কৰে। মন্ত্ৰী শ্ৰী গোৱেলে জি ই এম প্ৰতিষ্ঠাৰ পূৰ্বে ৰাজহুৱা ধনৰ অপব্যৱহাৰ আৰু অস্বচ্ছতাৰ কথা সোঁৱৰণ কৰি কয়, যে সেই সময়ত সুপ্ৰশাসনৰ অভাব বাৰুকৈয়ে পৰিলক্ষিত হৈছিল। মন্ত্ৰীগৰাকীয়ে কয়, যে বৰ্তমান ৰাজহুৱা ক্ৰয় ই-কমাৰ্চ প্লেটফৰ্মৰ জৰিয়তে কৰা হৈছে, যাৰ জৰিয়তে সামগ্ৰী পঞ্জীয়নৰ পূৰ্বেই স্বচ্ছতা, প্ৰতিযোগিতমূলক সামৰ্থ আৰু উন্নত মান বৰ্তাই ৰখাটো সম্ভৱপৰ হৈছে। তেওঁ কয়, যে জি ই এম হৈছে ৰাজহুৱা ক্ৰয়ক ডিজিটেলাইজেছন কৰাৰ প্ৰচেষ্টা, যাৰ জৰিয়তে অস্পষ্টতাৰ ঠাইত স্পষ্টতা পৰিলক্ষিত হয়। মন্ত্ৰী শ্ৰী গোৱেলে কয়, যে জি ই এম পোৰ্টেল আৰম্ভণি কৰাৰে পৰা বিগত ১০ টা বছৰৰ ভিতৰত যোৱা দুবছৰত ক্ৰছ মাৰ্ছেনডাইজৰ মূল্য বছৰি পাঁচ লাখ কোটি টকাতকৈও অধিক বৃদ্ধি পাইছে, যিটো ২০১৬-১৭ চনত ৪০০ কোটি টকাতকৈ অধিক আছিল।

শ্ৰী গোৱেলে কয়, যে ক্ৰমবৰ্ধিতভাৱে জি ই এমে তিনি কোটিৰো অধিক অৰ্ডাৰৰ জৰিয়তে ২০ লাখ কোটি টকাৰো অধিক মূল্যৰ সামগ্ৰী আৰু সেৱা ক্ৰয় কৰাত সহায় কৰিছে। তেওঁ কয়, যে জি ই এমক ভালেখিনি সংস্কাৰ কৰা হৈছে আৰু অনতি পলমে নতুন ব্যৱহাৰকাৰীসকলৰ বাবে বন্ধুত্বপূৰ্ণ কৃত্ৰিম বুদ্ধিমত্তা ভিত্তিক এটা প'ৰ্টেল মুকলি কৰা হ'ব।

মন্ত্ৰী শ্ৰী গোৱেলে ক্ৰেতা, বিক্ৰেতা আৰু অন্যান্য অংশীদাৰীসকলৰ সহায়ৰ বাবে জি ই এম যোগাযোগ চিনাক্তকৰণৰ অৰ্থে ১৪৫৫০ পাঁচটা সংখ্যাৰ এটা হেল্প ডেক্স কালি মুকলি কৰে।

০০০০

কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে কালি নতুন দিল্লীত কৃষি বিজ্ঞানৰ শিক্ষাৰ্থীৰ বাবে এন এছ পিৰ জৰিয়তে বৃত্তি আৰু ফেল'শ্বিপৰ পুঁজি মুকলি কৰে। এই পদক্ষেপৰ জৰিয়তে প্ৰত্যক্ষ লাভ হস্তান্তৰ প্ৰক্ৰিয়াৰ মাজেৰে দেশৰ ছহেজাৰতকৈও অধিক শিক্ষাৰ্থীয়ে ২১ কোটিতকৈও অধিক ধন লাভ কৰিব। এই নতুন পদক্ষেপৰ জৰিয়তে কৃষি বিজ্ঞানৰ শিক্ষাৰ্থীসকলে প্ৰত্যক্ষ লাভ হস্তান্তৰৰ যোগেৰে সময় মতে আৰু কোনো অসুবিধা নোহোৱাকৈ প্ৰতি মাহে বৃত্তিৰ ধন লাভ কৰিব। নতুন দিল্লীত অনুষ্ঠিত এটা অনুষ্ঠানত সমৱেত লোকসকলৰ আগত ভাষণ দি মন্ত্ৰী শ্ৰী চৌহানে কয়, যে এই বৃত্তি কেৱল মাত্ৰ আৰ্থিক সাহায্য নহয়, বৰং কৃষি শিক্ষা শক্তিশালী আৰু এই শিক্ষাক ব্যৱহাৰিক শিকনৰ জৰিয়তে অধিক সা-সুবিধা লাভ কৰিব পৰা এটা ফলপ্ৰসূ প্ৰক্ৰিয়া। তেওঁ কয়, যে প্ৰত্যক্ষ লাভ হস্তান্তৰ প্ৰক্ৰিয়াই শিক্ষাৰ্থীসকলক সময়মতে বৃত্তিৰ ধন লাভ কৰাৰ ক্ষেত্ৰত সহায় কৰিব। তেওঁ কয়, যে ছাত্ৰ-ছাত্ৰীসকলে বৃত্তিৰ ধন সময়মতে লাভ কৰিলে শিক্ষা গ্ৰহণ প্ৰক্ৰিয়াত তেওঁলোকে অধিক মনোনিৱেশ কৰিব পাৰিব। কৃষি মন্ত্ৰীগৰাকীয়ে কয়, যে এন এছ পি-ডি বি টি প্ৰক্ৰিয়াই বৃত্তিৰ ধন বিতৰণ ব্যৱস্থাটো অধিক স্বচ্ছ, গতিশীল আৰু জটিলতাবিহীনভাৱে সম্পন্ন কৰাত সহায় কৰিব। তেওঁ লগতে কৃষি শিক্ষা, গৱেষণা আৰু ব্যৱহাৰিক প্ৰশিক্ষণৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলক ভাৰতৰ ভৱিষ্যতৰ কৃষি ব্যৱস্থাৰ প্ৰতি প্ৰস্তুত কৰি তোলাত গুৰুত্ব আৰোপ কৰে।

০০০০

গ্ৰীণ ইণ্ডিয়া মিছন কাৰ্যকৰী হোৱা বুলি চৰকাৰে কালি লোকসভাত প্ৰকাশ কৰে। ২০১৫-১৬ চনত এটা সংহত লেন্সকেপ পদ্ধতিৰ জৰিয়তে হেৰোৱা বনাঞ্চলৰ প্ৰাকৃতিক পৰিৱেশন পুনৰ উদ্ধাৰ কৰাৰ উদ্দেশ্যে গ্ৰীণ ইণ্ডিয়া মিছন কাৰ্যসূচী গ্ৰহণ কৰা হৈছিল। কেন্দ্ৰীয় পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন ৰাজ্য মন্ত্ৰীয়ে লোকসভাত কালি এটা লিখিত প্ৰশ্নৰ উত্তৰত কয়, যে জি আই এমৰ জৰিয়তে ২০১৫-১৬ চনৰে পৰা ১৭ খন ৰাজ্য আৰু এখন কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৮৪ হাজাৰ হেক্টৰ ভূমিৰ আন্তঃপৰিৱেশ পুনৰ উদ্ধাৰৰ বাবে চেষ্টা কৰিছিল। মন্ত্ৰালয়ে লগতে ২০২০-২১ চনৰ পৰা ২০২৬-২৭ চনলৈকে ৬০০ নগৰ বন আৰু ৪০০ নগৰ উদ্যানৰ উন্নয়নৰ বাবে নগৰ বন যোজনা ৰূপায়ণ কৰি নগৰীয়া সেউজ আৱৰণ আৰু পৰিৱেশগত সুবিধা বৃদ্ধি কৰিছে। এই নগৰ বনসমূহে সেউজ আৱৰণৰ দিশত যথেষ্ট অৰিহণা যোগাই আৰু বায়ুৰ গুণাগুণ তথা জলবায়ু উন্নত কৰাৰ সম্ভাৱনা থকা পৰিৱেশৰ সৃষ্টি কৰে। জি আই এমৰ অধীনত বৰ্তমানলৈ ৫৭ কোটিতকৈও অধিক ধন চত্তিশগড়, হাৰিয়ানা, কেৰালা, মধ্যপ্ৰদেশ, মণিপুৰ, ছিকিম আৰু উত্তৰ প্ৰদেশৰ সেউজ পৰিৱেশ পুনৰ উদ্ধাৰ প্ৰক্ৰিয়াৰ বাবে আৱণ্টন দিয়া হৈছে।

০০০০

হৰ ঘৰ তিৰংগা অভিযানে দেশৰ সমুহীয়া শক্তি, নাগৰিকৰ একতা আৰু বিকশিত ভাৰত গঢ়াৰ প্ৰচেষ্টাক প্ৰতিফলিত কৰে বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কালি প্ৰকাশ কৰিছে। সামাজিক মাধ্যমত এটা পোষ্টযোগে শ্ৰীশ্বাহে কয়, যে এইবছৰ বন্দে মাতৰমৰ ১৫০ বছৰীয়া জয়ন্তীৰ লগত সংগতি ৰাখি আয়োজন কৰা এই অভিযানে প্ৰতিগৰাকী দেশপ্ৰেমিকৰ হৃদয়ক স্পৰ্শ কৰিছে। ত্ৰিৰংগ যাত্ৰা আৰু বন্দে মাতৰম পৰিবেশনৰে এই অভিযানত সকলোকে অংশগ্ৰহণ কৰিবলৈ কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে আহ্বান জনাইছে। তেওঁ লগতে ত্ৰিৰংগ পতাকা উত্তোলন কৰি হৰ ঘৰ তিৰংগা ডট কমত ছেলফি আপলোড কৰিবলৈও জনসাধাৰণক আহ্বান জনায়।

০০০০

দেশজুৰি চলি থকা 'আজাদী কা অমৃত মহোৎসৱ'ৰ উদযাপনৰ অংশ হিচাপে কালিৰে পৰা নাগালেণ্ডৰ ক'হিমাতো "হৰ ঘৰ তিৰংগা" প্ৰদৰ্শনী অনুষ্ঠিত হৈছে। কলা আৰু সংস্কৃতি বিভাগ তথা গৃহ বিভাগৰ যৌথ উদ্যোগত আয়োজিত এই বিশেষ প্ৰদৰ্শনীখন নাগালেণ্ড অসামৰিক সচিবালয়ৰ এক নম্বৰ গেটত অনুষ্ঠিত হৈছে। দেশৰ চহকী ঐতিহাসিক ঐতিহ্য প্ৰদৰ্শন কৰা আৰু দৰ্শকৰ মাজত দেশপ্ৰেমৰ ভাব জাগ্ৰত কৰাই এই প্ৰদৰ্শনীৰ মূল উদ্দেশ্য। শিক্ষাৰ্থীৰ লগতে সাধাৰণ লোককো এই প্ৰদৰ্শনী চাবলৈ আৰু উদযাপনত অংশগ্ৰহণ কৰিবলৈ আমন্ত্ৰণ জনোৱা হৈছে।

ৰাইজৰ অংশগ্ৰহণ বৃদ্ধি কৰাৰ লক্ষ্যেৰে দুটা মুখ্য স্থানত— প্ৰদৰ্শনীৰ মূল স্থান নাগালেণ্ড অসামৰিক সচিবালয়ৰ ১ নং গেট আৰু ক'হিমাৰ ৰাজ্যিক সংগ্ৰহালয়ত বিশেষ ফটোপ্ৰদৰ্শনীৰো আয়োজন কৰা হৈছে। সমান্তৰালকৈ দৰ্শকসকলক ৰাষ্ট্ৰীয় পতাকাৰ সৈতে ফটো আৰু চেলফী তুলি 'হৰ ঘৰ তিৰংগা'ৰ অফিচিয়েল প'ৰ্টেলত আপলোড কৰিবলৈ আহ্বান জনোৱা হৈছে। কালিৰ উদ্বোধনী অনুষ্ঠানত ভাষণ প্ৰদান কৰি গৃহ সচিব কুকো মেৰোৱে কয় যে 'হৰ ঘৰ তিৰংগা' অভিযান হ'ল সমগ্ৰ দেশৰ একতা, শক্তি আৰু অখণ্ডতা প্ৰদৰ্শন কৰাৰ এক ৰাষ্ট্ৰীয় প্ৰচেষ্টা। মেৰোৱে লগতে উল্লেখ কৰে যে এই তিৰংগা প্ৰদৰ্শনীখন "হৰ ঘৰ তিৰংগা ২০২৬" কাৰ্যসূচীৰ এক গুৰুত্বপূৰ্ণ অংশ, আৰু অনাগত দিনবোৰত ইয়াৰ সৈতে সংগতি ৰাখি ধাৰাবাহিকভাৱে বিভিন্ন স্মৰণীয় কাৰ্যসূচী অনুষ্ঠিত কৰা হ'ব।

০০০০

কলম্বিয়াৰ দক্ষিণ অংশত কালি হোৱা এটা ৭ দশমিক ৪ প্ৰাবল্যৰ শক্তিশালী ভূমিকম্পত কমেও ১১১ জন লোকৰ মৃত্যু হোৱাৰ লগতে ৮৭ গৰাকী লোক আহত হয়। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ভূগৰ্ভীয় সমীক্ষাই- ইউ এছ জিঅ'ল'জিকেল ছাৰ্ভে প্ৰকাশ কৰা অনুসৰি দেশখনৰ ৰাজধানী বগ'তাৰ পৰা ৪০০ কিলোমিটাৰ দূৰৈৰ পশ্চিমত ছেন জোছ ডেল পামেৰ এই ভূমিকম্পৰ অভিকেন্দ্ৰ আছিল। শক্তিশালী ভূমিকম্পটোত ১০০তকৈও অধিক অট্টালিকা ক্ষতিগ্ৰস্ত হোৱাৰ লগতে বৃহৎ ফাঁটবোৰত ভালে সংখ্যক লোক আবদ্ধ হৈ থকাৰ আশংকা কৰা হৈছে। উদ্ধাৰকাৰী দল আৰু স্থানীয় বাসিন্দাই দুৰ্গতসকলক উদ্ধাৰৰ বাবে অভিযান চলাই আছে। কলম্বিয়াৰ ৰাষ্ট্ৰপতি এবেলাৰ্ডো ডি লা এছপ্ৰিয়েলাই সাহায্য আৰু উদ্ধাৰ অভিযানৰ বাবে জৰুৰীকালীন অৱস্থা ঘোষণা কৰিছে। তেওঁ কয়, যে ক্ষতিগ্ৰস্তসকলক চৰকাৰে পাৰ্য্যমানে সহায়-সাহায্য আগবঢ়াব। এই ভূমিকম্পৰ ফলত দেশখনৰ পেৰেৰা, কুইবড', কেলি আৰু মানিজেলেছৰ নিচিনা চহৰসমূহৰ যথেষ্ট ক্ষতি হয়। এই ভূমিকম্পৰ জোকাৰণি চুবুৰীয়া ইকুৱেডৰ আৰু পানামাতো অনুভূত হয়। কলম্বিয়াৰ চৰকাৰী সূত্ৰই জনোৱা মতে বিগত দশকটোত এয়া হৈছে দেশখনক জোকাৰি যোৱা অন্যতম প্ৰবল ভূমিকম্প।

০০০০

নাইজেৰিয়াৰ লাগোছত অনুষ্ঠিত ২৩ বছৰ অনুৰ্ধৰ কমনৱেলথ ফেন্সিং চেম্পিয়নশ্বিপত ভাৰতে শক্তিশালী আৰম্ভণিৰে প্ৰথম দিনাই চাৰিটা সোণৰ পদককে ধৰি মুঠ ১৭ টা পদক লাভ কৰিবলৈ সমৰ্থ হৈছে। দেওবাৰে আৰম্ভ হোৱা এই প্ৰতিযোগিতাখনত ভাৰতীয় দলটোৱে ৪ টা সোণ, ৪ টা ৰূপ আৰু ৯ টা ব্ৰঞ্জৰ পদক অৰ্জন কৰিছে। ছেব্ৰে, ফইল  আৰু এপি  — এই তিনিটা শ্ৰেণীৰে  ছটা ব্যক্তিগত ইভেণ্টতে ভাৰতীয় ফেঞ্চাৰসকলে পদক অৰ্জন কৰিবলৈ সমৰ্থ হয়।

পুৰুষৰ শাখাৰ ছেব্ৰেত নিখিল ৱাঘে সোণৰ পদক অৰ্জন কৰাৰ সমান্তৰালকৈ অক্ষয় বাদছেৰে ৰূপৰ পদক অৰ্জন কৰে। অশ্বিনী আৰ্য আৰু লাইশ্ৰম মোৰাম্বাই ব্ৰঞ্জৰ পদক লাভ কৰে।

ফয়েল ইভেণ্টত তেজছ পাটিলে ৰূপ আৰু হেমাছ ছানাচামে ব্ৰঞ্জৰ পদক লাভ কৰে। এপি ইভেণ্টত লোকেশ ৰেমানীয়ে ৰূপৰ পদক, শৌৰ্য অশ্বিনী আৰু গডৱিন আনবকেছে ব্ৰঞ্জৰ পদক অৰ্জন কৰে।

আনহাতে মহিলাৰ শাখাৰ ফয়েল ইভেণ্টত জয়ছ আশিতাই সোণৰ  আৰু সতীৰ্থ কানাগলক্ষ্মীয়ে ৰূপৰ পদক অৰ্জন কৰে।

এপি ইভেণ্টত প্ৰাচী লোহানে সোণৰ পদক অৰ্জন কৰাৰ সমান্তৰালকৈ নিবেদ্য নায়াৰ আৰু অনুপ্ৰিয়াই ব্ৰঞ্জৰ পদক অৰ্জন কৰে। একেদৰে ছেব্ৰে ইভেণ্টত জেফাৰলাইনে সোণ, আখৰীয়ে ৰূপ আৰু শ্ৰেয়া গুপ্তাই ব্ৰঞ্জৰ পদক অৰ্জন কৰে।

০০০০

ঃঃ সমাপ্ত ঃঃ